# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**বুধবাৰ, ৯ ডিচেম্বৰ, ২০১৫**

**গড়কাপ্তানী (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), পৰিকল্পনা আৰু উন্নয়ন, ন্যায়িক, বিধায়িনী, আইন, জলসিঞ্চন, ভূমি সংৰক্ষণ, পৰিবহন, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ, খনিজ আৰু খনিজাত সম্পদ, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **Airport স্থাপন ।**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

*৪১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত নতুনকৈ Airport স্থাপনৰ বিষয়ে চৰকাৰে বিবেচনা কৰিছেনে ?

(খ) চৰকাৰ অৱগতনে, বিগত বিধান সভাত Airport স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছিল ?

(গ) স্বাধীনতাৰ আগতেই বৰপেটা জিলাৰ বৰনগৰ Revenue Circle ৰ অন্তৰ্গত কামাৰ চৰত Airport স্থাপনৰ বাবে প্ৰয়োজনীয় মাটি Allotted আছিল নে ?

(ঘ) যদি আছিল, (মাটিৰ দাগ, পট্টা, কালিৰ পৰিমাণ উল্লেখ কৰি প্ৰতিলিপি সদনত দাখিল কৰিব) ?

(ঙ) স্বাধীনতাৰ আগৰ প্ৰস্তাৱিত উক্ত কামাৰ চৰৰ Airport নামনি অসমৰ তীব্ৰ গতিত বাঢ়ি অহা যাতায়তৰ স্বাৰ্থত পুনৰায়, স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবনে ?

(চ) যদি কৰে, যাৱতীয় ব্যৱস্থা কেতিয়া কৰিব ?

*বিষয় ঃ* **পকী দলং নিৰ্মাণ।**

শ্ৰীভূপেন ৰায় ঃ

*৪২। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান ২০১১-২০১৫ চনৰ ভিতৰত কিমানখন পকী দলং নিৰ্মাণ কৰিলে ?

(খ) বঙাইগাঁও সংমণ্ডলৰ অন্তৰ্গত ক্ৰমে মানিকপুৰ চাকিহালি আৰু মানিকপুৰ বাছবাৰী ৰাস্তাত এতিয়াও কাঠৰ দলং আছে নেকি ?

(গ) যদি আছে, কিমানখন আছে আৰু উক্ত দলং সমূহ পকী দলং কৰাৰ কি ব্যৱস্থা বিভাগে হাতত লৈছে ?

*বিষয় ঃ* **বাট-পথ মেৰামতি ।**

হাফিজ বছিৰ আহমেদ ঃ

*৪৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিধ্বংসী বানপানীত ব্যাপক ভাৱে ক্ষতিগ্ৰস্ত হোৱা বিলাসীপাৰা মহকুমাৰ অন্তৰ্গত

বাট-পথ আৰু দলংৰ মেৰামতিৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে ?

(খ) কিমান বাট-পথ আৰু দলং মেৰামতি কৰা হ'ল আৰু কিমানটা বাকী আছে ? (বিস্তাৰিত তথ্য সহকাৰে সদনত দাখিল কৰিব)

(গ) ইয়াৰ বাবে এতিয়ালৈকে কি কি বাবত কিমান টকা চৰকাৰী ভাৱে মঞ্জুৰী দিয়া হৈছে ?

(ঘ) এই মহকুমাৰ অন্তৰ্গত PMGSY আচঁনিৰ Pkg No. AS-05-25, AS-05-26, AS-05-42, AS-05-41 আৰু AS-05-43 ৰাস্তা আৰু দলংবোৰৰ কাম সম্পূৰ্ণ কৰা হ'বনে ?

(ঙ) যদি হয় তেন্তে আৰু কিমান বছৰৰ প্ৰয়োজন হ'ব ? এই বাট-পথবোৰ বৰ্ত্তমান কি পৰ্য্যায়ত আছে ? (বিস্তাৰিত ভাৱে জনাব)

*বিষয় ঃ* **জলসিঞ্চন আচঁনি** ।

শ্ৰীমুকুন্দ ৰাম চৌধুৰী ঃ

*৪৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলাইগাওঁ সমষ্টিত বৰ্ত্তমান কিমানটা জলসিঞ্চন আচঁনিৰ কাম হৈ আছে জনাবনে ? (বিতং ভাৱে আচঁনি সমূহৰ নাম উল্লেখ কৰি তালিকা দাখিল কৰিব)

(খ) আচঁনি সমূহৰ কামৰ অগ্ৰগতি আচঁনিৰ বিপৰীতে বৰ্ত্তমান লৈ কিমান হৈছে জনাবনে ?

(গ) বৰ্ত্তমান কিমানটা Lift Irrigation Projectৰ কাম চলি আছে জনাবনে ? (বিতং ভাৱে তালিকা গাঠি দিব)

(ঘ) কলাইগাওঁ সমষ্টিত কিমান Hector কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে জনাবনে ?

*বিষয় ঃ* **কৃষি ভূমিত পানী যোগান** ।

শ্ৰীকেশৱ মহন্ত ঃ

*৪৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)জলসিঞ্চন বিভাগে কিমান কৃষিভূমিত পানীৰ যোগান ধৰিবৰ বাবে আচঁনি লৈছে আৰু বৰ্ত্তমান কিমান কৃষিভূমিত পানী যোগান ধৰিছে ? (জিলা ভিত্তিত তথ্য দাঙি ধৰিব)

(খ) কিমানখন আচঁনি কাৰ্য্যক্ষম হৈ আছে আৰু কিমানখন আচঁনি বিকল হৈ আছে ?

(গ) কলিয়াবৰৰ হাতিমুৰাত থকা উত্তোলিত আচঁনি দুখন কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিবনে ? যদি কৰিছে তাৰ বাবে কিমান ধন ধাৰ্য্য কৰা হৈছে ?

(ঘ) কলিয়াবৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত জলসিঞ্চন বিভাগৰ আচঁনি কেইখনৰ নাম উল্লেখ কৰি তাৰ বিপৰীতে বৰ্ত্তমানৰ স্থিতি ব্যাখ্যা কৰিব আৰু কোন কেইখন আচঁনিৰে কিমান কৃষি ভূমিত পানী যোগান ধৰিছে উল্লেখ কৰিব ?

*বিষয় ঃ* **পথ মেৰামতি** ।

শ্বেখ শ্বাহ আলম ঃ

*৪৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা P.W.D সংমণ্ডলৰ অধীনস্থ আগিয়া-মেধিপাৰা ৰাস্তাটো সুদীৰ্ঘ প্ৰায় ১০ বছৰ ধৰি জৰাজীৰ্ণ হৈ থকাটো চৰকাৰ অৱগত নে ? যদি অৱগত, উক্ত পথটো মেৰামতি বা নতুনকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা লবনে ? যদি লয়, কিমান দিনৰ ভিতৰত লব ?

(খ) যোৱাটো Flash Floodত গোৱালপাৰা P.W.D-Division ৰ অন্তৰ্গত কৰাইখোৱা-তলতলা, বাহবাৰী-ৰংচাই, লক্ষীপুৰ-চুনাৰী আদি পথ সমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা সম্পৰ্কে চৰকাৰ অৱগত নে ? যদি অৱগত, উক্ত পথ সমূহ অতি সোনকালে মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

(গ) গোৱালপাৰা P.W.D সংমণ্ডলৰ অধীনত AACP ৰ শিতানত কিমানটা পথ নিৰ্মাণ কৰি থকা হৈছে ? উক্ত পথবোৰ কিমান দিনৰ ভিতৰত নিৰ্মাণ সম্পন্ন কৰা হ'ব ?

(ঘ) বৰ্ত্তমান উক্ত পথবোৰৰ নিৰ্মাণ কাৰ্য্য বন্ধ হৈ থকাটো চৰকাৰ অৱগতনে ?

(ঙ) যদি অৱগত, কি কাৰণত বন্ধ হৈ আছে আৰু কেতিয়া নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব ?

*বিষয় ঃ* **ৰাস্তা-ঘাট নিৰ্মাণ ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা মেডিকেল কলেজৰ পৰা জনীয়াহৈ মানাহ দলং পৰ্যন্ত SH-2 (ৰাজ্যিক ঘাইপথ) চোৱা নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰা হ'লনে ? ২০১৬ চনৰ জানুৱাৰীৰ পূৰ্বে পথচোৱাৰ কাম আৰম্ভ কৰিবনে ?

(খ) সমগ্ৰ অসমৰ লগতে বৰপেটা জিলাৰ বাট-পথবোৰৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ? যদি জ্ঞাত, জনীয়া সমষ্টিৰ সমূহ বাট-পথ আৰু বৰপেটা জিলাৰ বাট-পথবোৰৰ নিৰ্মাণৰ কাৰণে বিশেষ পেকেজৰ দ্বাৰা উক্ত বাট-পথবোৰ নিৰ্মাণৰ কাম ২০১৬ চনৰ মাৰ্চ মাহৰ আগতে সম্পূৰ্ণ কৰিবনে ?

(গ) সৰভোগৰ পৰা কলগাছিয়াহৈ মইনবড়ীলৈকে P.W.D পথচোৱা নিৰ্মাণৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

*বিষয় ঃ* **Silchar-Jagiroad Via Turuk Road.**

মাওলানা আতাউৰ ৰহমান মাঝাৰভুইয়া ঃ

*৪৮। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) শিলচর-গৌহাটী বিকল্প রাস্তার হারাঙ্গাজাও হইতে জাগীরোড পর্যান্ত অংশের নির্মানের ব্যাপারে কতটুকু অগ্রগতি হয়েছে ? এই অংশের DPR অনুমোদিত হয়েছে কি না ?

(খ) যদি অনুমোদিত হয়, তবে কাজ কবে শুরু হবে ? এবং কত বৎসরে শেষ হবে ? বিস্তারিত তথ্যাদি সহ উত্তর সদনে পেশ করবেন ?

*বিষয় ঃ* **PMGSY ৰ পথ নিৰ্মাণ।**

শ্ৰীউৎপল দত্ত ঃ

*৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা (PMGSY)ৰ পেকেজ নং AS-1549 কামটো ২০০৮ চনত কাক দিয়া হৈছিল আৰু লখিমপুৰ সমষ্টিৰ পেকেজটোৰ বাবে ধাৰ্য্য পুঁজিৰ পৰিমাণ কিমান আছিল ?

(খ) এই কামটো সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দ্ধাৰিত সময় কেতিয়া আছিল আৰু কামটোৰ বাবত কিমান পুঁজি মোকলাই দিয়া হ'ল ?

(গ) ঠিকাদাৰে এই কামৰ কিমান অংশ সম্পূৰ্ণ কৰিলে আৰু কিমান অংশ কৰিবলৈ বাকী আছে ?

(ঘ) কাম সম্পূৰ্ণ নকৰা ঠিকাদাৰৰ ওপৰত কি ব্যৱস্থা ললে আৰু কাম সম্পূৰ্ণ নকৰাকৈ পুঁজি কিয় মোকলাই দিলে ?

(ঙ) লখিমপুৰ সমষ্টিৰ PMGSY ৰ AS-1580 পেকেজটোৰ বাবত ধাৰ্য্য পুঁজিৰ পৰিমাণ কিমান আছিল আৰু এই কামটো কাক কেতিয়া আৱণ্টন দি কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ দিয়া হৈছিল ?

(চ) ২০১৩-১৪ বৰ্ষৰ বানপানীত এই পথটোৰ অংশ বিশেষ ক্ষতিগ্ৰস্ত হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি অৱগত তেন্তে মেৰামতিৰ বাবে কি ব্যৱস্থা লৈছে ?

(ছ) এই পেকেজটোৰ নিৰ্মাণ সম্পূৰ্ণ নোহোৱা অংশকেতিয়াকৈ সম্পূৰ্ণ কৰিব ?

(জ) PMGSY ৰ AS-15123 (শিয়ালমৰী পথ) অনুমোদনৰ ব্যৱস্থাটো কি পৰ্য্যায়ত আছে ?

(ঞ) লখিমপুৰ সমষ্টিত কিমান আৰু ক'ত ক'ত কাঠৰ দলং পকীকৰণ নোহোৱাকৈ আছে আৰু দলং পকীকৰণ আচঁনিত কোন কেইখন দলং পকীকৰণৰ আচঁনিত অন্তৰ্ভুক্ত কৰা হৈছে ?

(ট) ২০১১ ৰ পৰা বৰ্তমানলৈ সমষ্টিটোত কিমান দলং পকীকৰণ কৰা হ'ল ?

*Sub :* **Erosion.**

Shri ABDUR RAHIM AJMAL:

*50. Will the Minister of Soil Conservation be pleased to state :

(a) Is the Government aware that in Jamunamukh LAC more than 15 No's of spots (Topgaon, Samorali Bazar, Borbali, Dakhin Devasthan etc.) are in very danger position by erosion of Jamuna river ?

(b) If yes, please furnish the list of spots ?

(c) Will the Government take necessary steps for the permanent protection of erosion in these spots ? When, it will begin ?

(d) If not, reason thereof ?

*বিষয় ঃ* **কৃষি ভূমিত জলসিঞ্চন আঁচনি।**

শ্ৰীমতী গুল আখতাৰা বেগম ঃ

*৫১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমান হেক্টৰ কৃষিভূমি জলসিঞ্চনৰ বাবে উপযোগী ?

(খ) উক্ত কৃষি ভূমিত কিমান হেক্টৰ জলসিঞ্চন ব্যৱস্থাৰ আওতালৈ আহিছে ?

(গ) ২০১১চনৰ পৰা বৰ্ত্তমানলৈ অসমত বিভাগৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে ? (সমষ্টি ভিত্তিত বিতং তথ্য দিব)

(ঘ) বিলাসীপাৰা পূৱ সমষ্টিত বৰ্ত্তমান কি কি জলসিঞ্চন আঁচনি কাৰ্যক্ষম হৈ আছে আৰু কিমান কৃষিভূমি সামৰি লৈছে ?

(ঙ) আগন্তুক বৰ্ষত বিলাসীপাৰা পূৱ সমষ্টিত কি কি আঁচনি ৰূপায়ণৰ ব্যৱস্থা লোৱা হৈছে ? (কামৰ অগ্ৰগতিৰ বিতং তথ্য দাখিল কৰিব)

(চ) ২০১১-১২ চনৰ পৰা বৰ্ত্তমানলৈ জলসিঞ্চন বিভাগত Maintenanceৰ বাবত আবণ্টিত পুঁজি ধুবুৰী জিলাৰ কি কি আঁচনিত ব্যয় কৰা হয় ? (আঁচনিৰ নাম, আবণ্টিত পুঁজি, ঠিকাদাৰৰ নামসহ বিতং তথ্য দিব)

*বিষয় ঃ* **ডিটেন্‌ছন কেম্প।**

শ্ৰীআমিনুল ইছলাম ঃ

*৫২। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন ডিটেন্‌ছন কেম্পত কিমান বন্দী আছে ? (বন্দীসকলৰ নাম-ঠিকনাসহ তালিকা দাখিল কৰিব)

(খ) ডিটেনছন কেম্পসমূহত বন্দীসকল থকাৰ কাৰণে কিমান কোঠালী, কিমান কালি, শৌচাগাৰ, প্ৰস্ৰাবগাৰ আৰু অন্যান্য সা-সুবিধা আছে ? (তেওঁলোকৰ খাদ্যৰ মেনুৰেল সদনত দাখিল কৰিব)

(গ) ডিটেনছন কেম্পত বন্দীসকলৰ বাবে দৈনিক কিমান টকা আহাৰৰ বাবে যোগান ধৰা হয় আৰু কাৰাগাৰত থকা সাধাৰণ কয়দীৰ বাবে কিমান টকা যোগান ধৰা হয় ?

*বিষয় ঃ* **জলসিঞ্চন বিভাগৰ আঁচনি।**

শ্ৰীফণীভূষণ চৌধুৰী ঃ

*৫৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ ৰাজ্যৰ জলসিঞ্চন বিভাগে কি কি আঁচনি লৈছিল ? (এই আঁচনিৰ নাম, ধনৰ পৰিমাণ, সামৰি লবলগীয়া কৃষি ভূমিৰ পৰিমাণ, ৱৰ্ক অৰ্ডাৰ মতে কাম শেষ হবলগীয়া সময়, কামৰ বৰ্ত্তমান স্থিতি, কামবোৰ কেতিয়া শেষ হ'ব, ঠিকাদাৰৰ নাম বিস্তৃত ভাৱে জনাব)

(খ) এই প্ৰতিটো আঁচনিৰ বিপৰীতে বাতৰি

কাকতৰ জৰিয়তে নিবিদা প্ৰকাশ কৰা হৈছিল নে ? যদি হৈছিল, সেই বাতৰি কাকতৰ নাম, বিজ্ঞাপন প্ৰকাশৰ তাৰিখ, বিজ্ঞাপনৰ ফটো কপি দাখিল কৰিবনে ? যদি বাতৰি কাকতত নিবিদাৰ বিজ্ঞাপন প্ৰকাশ হোৱা নাছিল, তেন্তে কিয় হোৱা নাছিল জনাবনে ?

(গ) বৰ্ত্তমান ৰাজ্যত কিমানটা জলসিঞ্চন আচঁনি আছে ? ইয়াৰে কিমানটা সম্পূৰ্ণ ৰূপে কাৰ্য্যক্ষম, কিমানটা আংশিক ভাৱে কাৰ্যক্ষম আৰু কিমানটা সম্পূৰ্ণৰূপে অকাৰ্যক্ষম ? কি কাৰণত আচঁনিবোৰ অকাৰ্য্যক্ষম হৈ আছে ? (জিলা ভিত্তিত প্ৰতিটো আচঁনিৰ নামৰ বিপৰীতে আচঁনিৰ স্থিতিৰ কথা উল্লেখ কৰিব)

(ঘ) বৰ্তমান ৰাজ্যত কিমানটা বৃহৎ জলসিঞ্চন আচঁনি নিৰ্মীয়মান অৱস্থাত আছে ? (এই আচঁনিৰ নাম, ধনৰ পৰিমাণ, এতিয়া বৃদ্ধি হৈ পুনৰ নিৰ্ধাৰণ হোৱা ধনৰ পৰিমাণ, ঠিকাদাৰৰ নাম, প্ৰথম ৱৰ্ক অৰ্ডাৰ মতে কাম শেষ হবলগীয়া তাৰিখ, এতিয়া নতুনকৈ নিৰ্ধাৰণ হোৱা কাম শেষ হোৱাৰ তাৰিখ, সামৰি লবলগীয়া কৃষিভূমিৰ পৰিমাণৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰিব)

(ঙ) কি কাৰণত এই আচঁনিৰ কাম লেহেমীয়া হৈছে ?

(চ) ২০১৪-১৫ আৰু ২০১৫-১৬ বৰ্ষত কোন কোন সমষ্টিত কি কি আচঁনি ধাৰ্য্য কৰা হৈছিল আৰু আচঁনিৰ বিপৰীতে পুঁজি মঞ্জুৰ, মুকলি কিমান হ'ল আৰু কিমান টকা ব্যয় হ'ল ?

(ছ) এই সময়ছোৱাত কি কি আচঁনি সম্পূৰ্ণ হ'ল আৰু অসম্পূৰ্ণ আচঁনিসমূহ সম্পূৰ্ণ হবলৈ কিমান শতাংশ বাকী আছে ?

*বিষয় ঃ* **পথ নিৰ্মাণ।**

শ্ৰীৰিহন দৈমাৰী ঃ

*৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৌতা- ওদালগুৰি পথটোৰ নিৰ্মাণ কাৰ্য্য বন্ধ হৈ থকাৰ কথাটো চৰকাৰৰ অৱগতনে ?

(খ) উক্ত পথটোৰ নিৰ্মাণ কাৰ্য্য বন্ধ হৈ থকাৰ ফলত পথটোৰ কিছু অংশ যাতায়তৰ বাবে অনুপযোগী হৈ আছে, এই বিষয়টোৰ ক্ষেত্ৰত চৰকাৰে বৰ্তমান কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) উক্ত পথটোৰ নিৰ্মাণ কাৰ্য্য কি কাৰণত বন্ধ হৈ আছে আৰু বাকী থকা কামখিনি কেতিয়া সম্পূৰ্ণ কৰিব ?

*বিষয় ঃ* **ডিফু আৰু লামডিং সংযোগী পথ।**

শ্ৰীস্বপন কৰ ঃ

*৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)৩২৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অধীনত মাঞ্জা-ডিফু আৰু লামডিং সংযোগী পথটোৰ কামৰ বৃন্তিত প্ৰকল্পৰ (DPR) প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে নেকি ?

(খ) যদি হৈছে, লামডিং সমষ্টিৰ কোনটো ৰাস্তা ইয়াৰ লগত সংযোগ কৰা হৈছে ?

(গ) এই কথাটো সঁচানে উক্ত ৰাস্তাটো লামডিং সমষ্টিৰ মাজেদি যোৱা NH-54 ঘাইপথৰ সংযোগস্থল উদালী তিনিআলিৰ পৰা লংকাজান, নসুতি আৰু চাৰ্কেবস্তী হৈ কাৰ্বি-আংলংলৈ নিয়াৰ পৰিকল্পনা কৰা হৈছে ?

(ঘ) যদি সঁচা, তেন্তে উক্ত পথটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব জনাবনে ?

*Sub :* **Regarding SDRF.**

Shri ABDUR RAHMAN AJMAL :

*56. Will the Minister of PWD Road be pleased to state :

(a) How many schemes have

been taken by Govt. of Assam under SDRF in last 5 years ? (Please mention the name of the schemes, present status, year of completion and money sanctioned in each schemes District wise)

(b) Whether the Govt. of Assam is aware of the deteriorated condition of the road caused by last flood (i) South Salmara Patakata Road, (ii) Extension Majerchar Bondihana Road, (iii) Ravatary Medortary Road, (iv) Patakata Tiniali to Dawakandi via Holholi Road, (v) Fakirganj NEC Road to Baladoba Road, (vi) Salkata-Surjomoni Road, (vii) Fulkatary Parghat to Majerchar Bandihana PMGSY Road under Dhubri District ?

(c) If so, have any policy for completion of the said works in current financial year ? (Please furnish the details)

*বিষয় ঃ* **দুধনৈৰ পৰা পঞ্চৰত্নলৈ নিৰ্মীয়মান পথ ।**

শ্ৰীমনোৱাৰ হুছেইন ঃ

*৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে দুধনৈৰ পৰা পঞ্চৰত্নলৈ নিৰ্মীয়মান ৪৮ নং ৰাজ্যিক উচ্চ পথটো অহা ০৪।০৪।২০১৬ ত সম্পূৰ্ণ হোৱাৰ কথা অথচ এই পথৰ নিৰ্মাণ কাম অত্যন্ত লেহেম গতিত কৰাৰ বাবেই যোৱা তিনি বছৰে ৫০ শতাংশ সম্পূৰ্ণ হোৱা নাই ?

(খ) যদি অৱগত, তেনেহলে চৰকাৰে কি ব্যৱস্থা ল'ব আৰু কিমান দিনৰ ভিতৰত উক্ত পথৰ নিৰ্মাণ কাম সম্পূৰ্ণ কৰা হ'ব জনাবনে ?

(গ) এইটোও অৱগতনে উক্ত পথটোৰ প্ৰায় ভাগ অংশত মাটি খান্দি আৰু নতুন মাটি পেলাই উন্মুক্ত কৰি ৰখাত যান-বাহন চলাচলত ধুলি-বালিৰ ধুমুহাই পথচৰী আৰু দাতিকাষৰীয়া অঞ্চলত থকা ঘৰ-দুৱাৰৰ বাসিন্দা সকলৰ জীৱন অতিষ্ঠ কৰি তুলিছে ?

(ঘ) যদি অৱগত তেন্তে পকী নকৰালৈকে প্ৰতিদিনে উক্ত পথত পানী দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঙ) যোৱা বাজেট অধিবেশনত পথ আৰু দলং নিৰ্মাণৰ বাবে মঞ্জুৰী দিয়া মুঠ ৩১৩৭১৬.৪০ লাখ টকা বিভাগক মোকলাই দিয়া হৈছেনে ?

(চ) যদি হৈছে, তেনেহলে উক্ত টকাৰ পৰা পথ আৰু দলং নিৰ্মাণত যোৱা মাৰ্চৰ পৰা আজিৰ তাৰিখলৈ ক'ত কিমান টকা ব্যয় কৰা হ'ল জনাব ? (জিলা ভিত্তিত পথ ও দলং নিৰ্মাণ আৰু টকা আদায়ৰ বিতং তথ্য সদনত দাখিল কৰিব)

*বিষয় ঃ* **PMGSY আৰ্চনি।**

শ্ৰীআলী হুছেইন ঃ

*৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) PMGSY ৰ অধীনত পথ পকীকৰণৰ কাম অসমৰ বিভিন্ন জিলাত আধৰুৱা হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি জ্ঞাত, তেন্তে ঠিকাদাৰৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? (সদনৰ মজিয়াত বিতং জনাব)

(খ) কিমান ৰাস্তাৰ PMGSY ৰ আচঁনিৰ কাম এতিয়ালৈকে ঠিকাদাৰৰ সময় উকলি যোৱাৰ পিছতো আধৰুৱা হৈ আছে ?

(গ) বৰপেটা জিলাৰ কিমানটা ৰাস্তা আৰু R.C.C. দলঙৰ কাম ঠিকাদাৰৰ সময়সীমা উকলি যোৱাৰ পিছতো সম্পূৰ্ণ হোৱা নাই ?

(ঘ) অসম্পূৰ্ণ হৈ থকা ৰাস্তা আৰু দলঙৰ কাম অনতি পলমে চৰকাৰে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ? (সদনত বিতং তথ্য জনাব)

*Sub* : **Construction of Rajib Gandhi Sports Complex.**

Shri SHERMAN ALI AHMED :

*59. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) Is it true that and amount of Rs. 50.00 lakhs was sanctioned for construction of one unit of 'Rajib Gandhi Sports Complex' at Baghbar LAC during 2013-14 vide No. SYW.87/2013/95, dtd 31-12-2013 ?

(b) Is it also true that Hon'ble Minister of State Sports & Youth Welfare etc, vide his D.O. letter No. MOS/EX&SYW/7/2011, dtd 12-2-2014 informed the MLA, Baghbar LAC about sanction of the said 'Rajib Gandhi Sports Complex' in Baghbar LAC?

(c) If answers to above Questions are yes, how the said Rajib Gandhi Sports Complex is now being constructed in Jania LAC as revealed in the work order of SE, PWD, Guwahati Building Circle - I vide No. CS/SE (B-1)/530/2015-16 dtd 16-10-15 ?

(d) Whether the Govt. has accorded approval for shifting of the said Rajib Gandhi Sports Complex from Baghbar LAC to Jania LAC ?

(e) If yes, please furnish a copy of the same & If not, would the Govt. be please to take urgent necessary steps for establishment of the Rajib Gandhi Sports Complex in Baghbar LAC ?

*Sub* : **Repairing of NH-54.**

Shri ANAMUL HAQUE :

*60. Will the Minister of PWD (Roads) be pleased to state :

(a) Is it a fact that the strech of road from Nagatilla to Chorki Shah Mukam of NH-54 is in a very deplorable stage and people are suffering extremely ?

(b) If so, will the Govt. take up the work of the road for restoration ?

---

AGP(Mini)154/15-L.A.Q-700-5-12-15.